# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা


নং ঃ ২৯/২০১৯

## বিশিষ্ট ভাষাবিদ, সাহিত্যচাৰ্য ড° গোলোক চন্দ্ৰ গোস্বামীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৪ জানুৱাৰী ঃ** বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, ভাষাবিদ, সাহিত্যচাৰ্য ড° গোলোক চন্দ্ৰ গোস্বামী বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক বিবৃতি যোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত প্ৰয়াত গোস্বামীয়ে ৰাজ্যখনৰ ভাষা-সাহিত্যৰ জগতলৈ যি অনন্য অৱদান আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। অসমীয়া ভাষাতত্ত্ব-চৰ্চ্চাৰ ক্ষেত্ৰত বিশেষ নৈপুণ্যতা প্ৰদৰ্শন কৰি ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমীয়া ভাষাক উজ্বলাই তোলাৰ ক্ষেত্ৰত প্ৰয়াত গোস্বামীয়ে নিৰলস প্ৰয়াস চলাই গৈছিল। ধ্বনি বিজ্ঞান, বৰ্ণ প্ৰকাশ, আখৰ জোঁটনি, ব্যাকৰণৰ মৌলিক বিচাৰৰ লেখীয়া দিশ সমূহত তেখেতে দেখুৱাই যোৱা বুৎপত্তিয়ে অসমীয়া ভাষাক সমৃদ্ধ কৰি তুলিছে। গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ মূৰব্বী হিচাপেও শৈক্ষিক উত্তৰণৰ দিশত যথেষ্ট বৰঙণি আগবঢ়াই গৈছে। ভাষা তত্ত্ব বিষয়ক গ্ৰন্থৰ লগতে অভিধান, অনুবাদ সাহিত্য, গ্ৰন্থ সম্পাদনৰ দ্বাৰা তেখেতে অসমীয়া ভাষা-সাহিত্যক উজ্জীৱিত কৰি তুলিছিল। এই গৰাকী বিশিষ্ট সাহিত্যিক, ভাষাবিদৰ বিয়োগ আমাৰ ৰাজ্যখনৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° গোলোক চন্দ্ৰ গোস্বামীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, ড° গোলোক চন্দ্ৰ গোস্বামীৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে মুখ্য সচিবক নিৰ্দেশ দিয়ে।

আনহাতে বিশিষ্ট ভাষাবিদ, সাহিত্যিক ড° গোলোক চন্দ্ৰ গোস্বামীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে।

এক শোক বাৰ্তাত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে বিশিষ্ট সাহিত্যিক, ভাষাবিদ, শিক্ষাবিদ ড° গোলোক চন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষা আৰু সাহিত্যলৈ যি অনৱদ্য বৰঙণি যোগাই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব বুলি কয়। ৰাজ্যৰ বৌদ্ধিক ক্ষেত্ৰত উজ্জ্বল নক্ষত্ৰ ড° গোলোক চন্দ্ৰ গোস্বামীৰ বিয়োগ ৰাজ্যখনৰ সাহিত্য তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও তেখেতে কয়।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াত ড° গোলোক চন্দ্ৰ গোস্বামীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে আজি পুৱা ভাগত সাহিত্যচাৰ্য ড° গোলোক চন্দ্ৰ গোস্বামীৰ বাসগৃহত উপস্থিতিত হৈ মুখ্যমন্ত্ৰী সোণোৱালৰ হৈ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

**পুঃডেঃ / বীঃগঃ**
**২৪/০১/২০২০**


**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in